**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 12-03-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***
**HEADLINE**

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ অসম আগমন। ৩৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। অসমত ২ লাখ ৫০ হাজাৰ কোটি টকা বিনিয়োগৰ বাবে ৰাজ্য চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰ।

৩। শিক্ষা আৰু শক্তি বিভাগত ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক ৰাজ্য চৰকাৰৰ নিযুক্তি পত্ৰ প্ৰদান।

৪। ৰাজ্যত চলাই থকা অবৈধ কয়লা খনিসমূহৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে উচ্চ ন্যায়ালয়ৰ পোষকতা।

**আৰু**

৫। অসমৰ জি আই টেগযুক্ত ২৫ মেট্ৰিক টন জহা চাউল বিদেশলৈ ৰপ্তানি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কাইলৈ দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ আহিব। প্ৰধানমন্ত্ৰীয়ে এই ভ্ৰমণকালত ৩৭ হাজাৰ ৫০০ কোটি ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। শ্ৰীমোদীয়ে প্ৰথমে কোকৰাঝাৰত এখন জনসভাত অংশ লৈ ৪ হাজাৰ ৫৭৪ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও আন্তঃগাঁথনি প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ আগমনৰ পৰিপ্ৰেক্ষিতত কোকৰাঝাৰৰ বড়োফা নগৰৰ গ্ৰীন ফিল্ডত প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই সন্দৰ্ভত সবিশেষ জনাইছে কোকৰাঝাৰৰ পৰা আমাৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে—

**ভইচকাষ্ট (প্ৰীতম ব্ৰহ্ম চৌধুৰী)**

প্ৰধানমন্ত্ৰী মোদী ইয়াৰ পাছত সন্ধিয়াৰ ভাগত গুৱাহাটীলৈ আহিব আৰু গুৱাহাটীত কেইবাটাও কাৰ্যসূচীত অংশ ল'ব। তেওঁ ৰাজ্যৰ ২০ হাজাৰ চাহ শ্ৰমিকক ভূমিপট্টা বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৩২০ কোটি টকা ব্যয় সাপেক্ষ পশ্চিম কাৰ্বি আংলঙৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ উৎপাদন প্ৰক্ৰিয়াৰো শুভাৰম্ভ কৰিব। শ্ৰীমোদীয়ে গুৱাহাটীত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয় সাপেক্ষ আন কেইবাটাও প্ৰকল্প উদ্বোধন কৰিব। এই অনুষ্ঠানতে তেওঁ প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি

মুকলি কৰিব। প্ৰধানমন্ত্ৰী মোদীয়ে এই আঁচনিৰ অধীনত দেশৰ প্ৰায় ৯ কোটি ৩২ লাখ কৃষকৰ বেংক একাউণ্টলৈ প্ৰত্যক্ষ লাভ হস্তান্তৰযোগে ১৮ হাজাৰ ৬৬০ কোটি টকা প্ৰেৰণ কৰিব। শ্ৰীমোদীয়ে পৰহিলৈ শিলচৰত ২৪ হাজাৰ ৫০৫ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ বাবে শিলচৰত পূৰ্ণগতিত প্ৰস্তুতি চলি আছে। আমাৰ শিলচৰৰ সংবাদদাতাই জনোৱা মতে আজি ৰামনগৰ বাইপাছৰ বুধুৰাইল পথাৰত হেলিকপ্টাৰ অৱতৰণৰ বাবে অনুশীলন কৰা হয়।

০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় পৰ্যায়ত প্ৰদান কৰা প্ৰতিশ্ৰুতিৰ বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যে অসম চৰকাৰ আৰু বিনিয়োগকাৰীৰ মাজত আজি বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। গুৱাহাটীৰ শ্ৰীশ্ৰীদামোদৰ দেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত বিয়লি আয়োজিত অনুষ্ঠানত মুঠ ২ লাখ ৫০ হাজাৰ কোটি টকাৰ বিনিয়োগৰ বাবে স্বাক্ষৰ কৰা হয়। ব্যক্তিগত ক্ষেত্ৰভিত্তিক ১ লাখ ৪০ হাজাৰ কোটি, আন্তঃগাঁথনি ক্ষেত্ৰভিত্তিক ৫৪ হাজাৰ কোটি আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ৬৩ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰা হয়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ ১ লাখ নিযুক্তিৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পুনৰ ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। গুৱাহাটীৰ খানাপাৰাৰ পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত ড০ শৰ্মাই কয়, যে ৰাজ্য চৰকাৰৰ স্বচ্ছ আৰু মেধাভিত্তিক নিযুক্তিৰ প্ৰক্ৰিয়া অব্যাহত আছে। বৰ্তমানলৈকে ১ লাখ ৬৪ হাজাৰ যুৱক-যুৱতীক নিযুক্তি প্ৰদান কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে ২০২৬ৰ পৰা ২০৩১ চনৰ ভিতৰত ৰাজ্যত সম্পূৰ্ণ ২ লাখ দুৰ্নীতিমুক্ত চৰকাৰী চাকৰি মুকলি হ'ব। আজিৰ অনুষ্ঠানত শিক্ষা আৰু শক্তি খণ্ডত ৫ হাজাৰ ৭৫৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। নিযুক্তি পত্ৰ বিতৰণ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে সকলোকে ৰাজ্যখনৰ উন্নয়নৰ হকে কাম কৰি যাবলৈ আহ্বান জনায়—

## বাইট (চি এম)

আনহাতে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি মহিলা সৱলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে জালুকবাৰী সমষ্টিৰ ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অন্তৰ্গত ৫ হাজাৰ ১৫৫ গৰাকী হিতাধিকাৰীৰ মাজত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলাসকলক এই ধনৰাশিৰ সদব্যৱহাৰেৰে তেওঁলোকক স্বাৱলম্বনৰ বাট মুকলি কৰিবলৈ আহ্বান জনায়। এই অনুষ্ঠানতে ড০ শৰ্মাই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰশাসনিক প্ৰক্ৰিয়া সৰল আৰু ডিজিটেল পদ্ধতিৰে কৰাৰ লক্ষ্যৰে ৭টা বিশেষ প'ৰ্টেল মুকলি কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যত অবৈধ কয়লা খনি চলাই থকা লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছে। ২০২৫ চনৰ ৬ জানুৱাৰীত ডিমা হাচাওৰ এটা অবৈধ কয়লা খনিত কেইবাজনো লোকৰ মৃত্যু হোৱা ঘটনাক লৈ বিচাৰাধীন এটা নিজাববীয়া ৰাজহুৱা স্বাৰ্থজড়িত গোচৰৰ শুনানী গ্ৰহণ কৰি উচ্চ

ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আশুতোষ কুমাৰ আৰু ন্যায়াধীশ অৰুণ দেৱ চৌধুৰীৰ খণ্ড বিচাৰপীঠে আজি এই কথা প্ৰকাশ কৰে। শুনানী কালত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়াই ডিমা হাচাওৰ কয়লা খনিত শ্ৰমিকৰ মৃত্যু হোৱা ঘটনাৰ তদন্তৰ বাবে গঠিত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ অনিমা হাজৰিকা নেতৃত্বাধীন আয়োগে শীঘ্ৰে প্ৰতিবেদন দাখিল কৰিব বুলি প্ৰকাশ কৰে। অবৈধ কয়লা খনি বন্ধ কৰাৰ বাবে চৰকাৰে নীতি-নিৰ্দেশনা যুগুত কৰি আছে বুলিও শ্ৰীশইকীয়াই আদালতক অৱগত কৰে।

ooooo

বিশ্বৰ বিভিন্ন প্ৰান্তলৈ অসমৰ কৃষি সামগ্ৰী ৰপ্তানিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে আজি প্ৰায় ২৫ মেট্ৰিক টন জহা চাউল প্ৰথমবাৰৰ বাবে ব্ৰিটেইন আৰু ইটালীলৈ ৰপ্তানি কৰা হয়। কৃষিমন্ত্ৰী অতুল বৰাই খানাপাৰাৰ কৃষি ভৱনৰ পৰা পতাকা জোকাৰি এই ৰপ্তানি কাৰ্যৰ শুভাৰম্ভ কৰে। ৰাজ্য চৰকাৰৰ কৃষি বিভাগ তথা কৃষি আৰু প্ৰসংস্কৰণ খাদ্য সামগ্ৰী ৰপ্তানি বিকাশ প্ৰাধিকৰণ, এ পি ই ডি এ-ৰ সহযোগত জি আই টেগযুক্ত জহা চাউল ৰপ্তানি কৰা হৈছে। উল্লেখযোগ্য যে, অসমৰ থলুৱা সুগন্ধিযুক্ত জহা চাউলে ২০১৭ চনত ভৌগোলিক সূচাংক লাভ কৰিছিল। ইয়াৰ সুকীয়া সুগন্ধি, মিহি আকাৰ আৰু উৎকৃষ্ট সোৱাদৰ বাবে বাণিজ্যিক মূল্য অধিক হৈছে। এই ৰপ্তানিৰ জৰিয়তে জহা চাউলৰ গুণগত মান অটুত ৰাখি আন্তঃৰাষ্ট্ৰীয় বজাৰ দখলৰ প্ৰয়াস কৰা হৈছে।

ooooo

কামৰূপ জিলাৰ বামুণীগাঁৱৰ বনাঞ্চলত বসবাস কৰা ৮৯২টা পৰিয়ালক আজি বন অধিকাৰ আইন ২০০৬ৰ অধীনত ভূমিস্বত্ব প্ৰদান কৰা হয়। বামুণীগাঁৱৰ শান্তি নিজৰা ক্লাবত জিলা প্ৰশাসন, বন বিভাগ আৰু ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ দ্বাৰা আয়োজিত অনুষ্ঠানত ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু, ৰাভা হাচং স্বায়ত্বশাসিত পৰিষদৰ অধ্যক্ষ সোণাৰাম ৰাভাকে ধৰি ভালেকেইগৰাকী ব্যক্তি উপস্থিত থাকে। ডাঃ পেগুৱে তেওঁৰ ভাষণত কয়, যে বনাঞ্চলত বসবাস কৰা জনজাতীয় লোকসকলে যুগ যুগ ধৰি প্ৰকৃতিৰ সৈতে সমন্বয় ৰক্ষা কৰি জীৱন-যাপন কৰি আহিছে। বন সংৰক্ষণ তথা জৈৱ বৈচিত্ৰ্য সংৰক্ষণতো এই লোকসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে বনাঞ্চলত বাস কৰা প্ৰকৃত জনজাতীয় পৰিয়ালসমূহৰ মাটিৰ অধিকাৰ নিশ্চিত কৰাটো অত্যন্ত প্ৰয়োজনীয় বুলি মন্তব্য কৰে।

**বাইট (ডাঃ ৰণোজ পেগু)**

ooooo

বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ৰাজনৈতিক দলসমূহে প্ৰাৰ্থী তালিকা প্ৰকাশকে ধৰি বিভিন্ন প্ৰস্তুতি অব্যাহত ৰাখিছে। শাসকীয় বিজেপিয়ে অহা ১৭ মাৰ্চত দলটোৱে প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া আটাইকেইটা বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিব বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলে ৪২ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা কিছুদিন পূৰ্বে প্ৰকাশ কৰে। এ আই ইউ ডি এফ দলে ৯ জনীয়া প্ৰথমখন প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। ৰাইজৰ দলেও ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথম তালিকাখন প্ৰকাশ কৰিছে।

কংগ্ৰেছ দলে চলিত সপ্তাহতে দ্বিতীয়খন প্ৰাৰ্থী তালিকা ঘোষণা কৰিব বুলি সাংসদ তথা অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে প্ৰকাশ কৰিছে। শ্ৰীগগৈয়ে কালি সামাজিক মাধ্যমযোগে ৰাইজৰ দলৰ সৈতে মিত্ৰতা সন্দৰ্ভত কোনো সিদ্ধান্ত হোৱা নাই আৰু সদ্যহতে এই সম্পৰ্কীয় আলোচনাৰ পৰা বিৰত থকা হৈছে বুলি উল্লেখ কৰিছে। অসম গণ পৰিষদ দলে দুই এদিনতে প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিব বুলি দলৰ সভাপতি অতুল বৰাই ইতিমধ্যে প্ৰকাশ কৰিছে। মিত্ৰতা সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত হোৱা নাই বুলি তেওঁ উল্লেখ কৰে।

বিপিএফে নিৰ্বাচনৰ দিন ঘোষণা কৰা হোৱাৰ পাছত প্ৰাৰ্থীৰ তালিকা ঘোষণা কৰিব বুলি প্ৰকাশ কৰিছে। বি পি এফে বিটিচিৰ ১৫টা সমষ্টিতে নিৰ্বাচন খেলিব বুলি দলৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে প্ৰকাশ কৰিছে। ইউ পি পি এল দলে বি টি চিৰ ১৫ টা সমষ্টিৰ লগতে বি টি চিৰ বাহিৰৰ ছটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব বুলি দলটোৰ কাৰ্য্যকৰী সভাপতি তথা ৰাজ্যখনৰ সাংসদ ৰণগৌড়া নাৰ্জাৰীয়ে আজি প্ৰকাশ কৰিছে। চিৰাং জিলা ইউ পি পি এল দলৰ কাৰ্য্যালয়ত আজি অনুষ্ঠিত এখন নিৰ্বাচনকেন্দ্ৰিক সভাত সাংসদগৰাকীয়ে এই কথা প্ৰকাশ কৰিছে।

ইপিনে, লখিমপুৰত আজি আমছুৰ কেন্দ্ৰীয় সমিতিৰ প্ৰাক্তন সম্পাদক আমিনুল ৰহমানৰ নেতৃত্বত শতাধিক লোকে অসম গণ পৰিষদ দলত যোগদান কৰে।

ooooo

গোৱালপাৰাৰ ৰাক্ষসিনীত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰা হয়। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী অশোক সিংহালে আত্ম-সহায়ক গোটৰ সদস্যাসকলৰ মাজত চেকসমূহ বিতৰণ কৰে। মুঠ ২৩ হাজাৰ ৯৯২ গৰাকী আত্ম-সহায়ক গোটৰ সদস্যাক এই আঁচনিৰ অধীনত আজি ১০ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে ভাৰ্চুৱেল ব্যৱস্থাৰে মন্ত্ৰীগৰাকীয়ে দুধনৈ চিকিৎসালয়ৰ বিনামূলীয়া ডায়েলিছিছ সেৱা কেন্দ্ৰ আৰু কুছ্‌ধোৱাত ৩০ খন বিচনাযুক্ত চিকিৎসালয়ৰ আধাৰশিলা স্থাপন কৰে। তদুপৰি তেওঁ ৫ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰৰ নৱ-নিৰ্মিত গৃহও উদ্বোধন কৰে।

ooooo

চৰাইদেউ জিলাৰ সোণাৰীত আজি পুনৰ এহেজাৰ ৬২৫ গৰাকী আত্মসহায়ক গোটৰ মহিলাৰ মাজত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰা হয়। সোণাৰীৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে মহিলাসকলক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। বিধায়কগৰাকীয়ে ভাষণ প্ৰসংগত কয়, যে বৰ্তমানৰ চৰকাৰখন গ্ৰামাঞ্চলৰ মহিলাসকলক লাখপতি বাইদেউ হিচাপে গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। এই প্ৰাৰম্ভিক মূলধনে মহিলাসকলক ক্ষুদ্ৰ ব্যৱসায় বা কৃষিভিত্তিক উদ্যোগ আৰম্ভ কৰাত সহায় কৰিব বুলি তেওঁ উল্লেখ কৰে।

ooooo

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২৪ সংখ্যক সমাৱৰ্তন আজি সম্পন্ন হয়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই মুখ্য অতিথি হিচাপে অংশ লয়। অনুষ্ঠানত বিশিষ্ট চিকিৎসক সৰ্বেশ্বৰ ভূঞাক ডক্টৰ অৱ চায়েন্স আৰু অৰুণাচল প্ৰদেশৰ প্ৰখ্যাত সাহিত্যিক মামাং ডাইক ডি লিট সন্মানেৰে সন্মানিত কৰা হয়। সমাৱৰ্তনত ১২ হাজাৰ ২৬১ গৰাকী শিক্ষাৰ্থীক ডিগ্ৰীৰ প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। আনুষ্ঠানিক কাৰ্য্যসূচীত এহেজাৰ ৯৬৫ গৰাকী শিক্ষাৰ্থী উপস্থিত থাকে। এই অনুষ্ঠানতে বিভিন্ন বিষয়ৰ সৰ্বাধিক নম্বৰ লাভ কৰাসকলক ৪১ টা বিষয়ত ৰাজ্যপালৰ স্বৰ্ণপদক প্ৰদান কৰা হয়। অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডাঃ

ধ্রুৱজ্যোতি বৰা, বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য্য ড০ জিতেন হাজৰিকাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০

মৰিগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আৰু কৃষি প্ৰযুক্তি ব্যৱস্থা অভিকৰণৰ সৌজন্যত আজিৰে পৰা চলিত বৰ্ষৰ কৃষক মেলা অনুষ্ঠিত হৈছে। দুদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই কৃষক মেলাত আজি জিলা আয়ুক্ত অনামিকা তিৱাৰীয়ে উদ্বোধন কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি জিলা কৃষি কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আয়োজিত অনুষ্ঠানত শ্ৰীমতী তিৱাৰীয়ে এই মেলা জিলাখনৰ কৃষকসকলৰ উপৰি কৃষি খণ্ডৰ বাবে বৃহৎ মঞ্চ হিচাপে পৰিগণিত হ'ব বুলি মন্তব্য কৰে। তেওঁ লগতে কৃষি বিষয়ত জন জাগৰণ সৃষ্টি, কৃষি খণ্ডত উদ্ভাৱন তথা কৃষকসকলে যাতে চৰকাৰী আঁচনিসমূহৰ সুবিধা সময়মতে লাভ কৰে সেই বিষয়ত গুৰুত্ব আৰোপ কৰে। আজিৰ অনুষ্ঠানত প্ৰগতিশীল কৃষক ৰাজুমণি ভূঞা আৰু জোনটি ভূঞাক সম্বৰ্ধনা জনোৱা হয়। তদুপৰি আন্তৰ্জাতিক নাৰী দিৱসৰ লগত সংগতি ৰাখি নাবাৰ্ডৰ দ্বাৰা ১২ গৰাকী উদ্যমী মহিলা কৃষকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

কাছাৰ জিলা কৃষি বিভাগৰ মৃত্তিকা পৰীক্ষাগাৰ চৌহদত কৃষি বিভাগ আৰু কৃষি প্ৰযুক্তি ব্যৱস্থাপনা সংস্থাৰ উদ্যোগত দুদিনীয়াকৈ কিষাণ মেলা অনুষ্ঠিত হৈছে। এই মেলাত নতুন কৃষি প্ৰযুক্তি আৰু প্ৰকল্প ৰূপায়ণৰ সন্দৰ্ভত আলোচনা কৰাৰ লগতে ক্ৰেতা আৰু বিক্ৰেতাৰ মাজত সমন্বয়ৰ সৃষ্টি কৰা হৈছে। মেলাত বিভিন্ন চৰকাৰী বিভাগ, কৃষি বিজ্ঞান কেন্দ্ৰ, কৃষি ব্যৱসায়িক সংস্থা, উৎপাদন কোম্পানী, কৃষি প্ৰযুক্তি আৰু যন্ত্ৰ-পাতি বিক্ৰেতাসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানত কৃষক আৰু বিজ্ঞানীৰ মত-বিনিময় কাৰ্য্যসূচী অনুষ্ঠিত হয়। তদুপৰি, প্ৰগতিশীল কৃষক বঁটা প্ৰদান, কুইজ আৰু সাংস্কৃতিক অনুষ্ঠানো চলি আছে।

০০০০০

জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন সাংসদ বীৰেণ সিং ইংতিৰ আজি ডিফু ৰাজহুৱা শ্মশানত ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন কৰা হয়। গুৱাহাটীৰ এখন চিকিৎসালয়ত যোৱা ১০ মাৰ্চত মৃত্যু হোৱা বৰ্ষীয়ান ৰাজনীতিকগৰাকীৰ মৃতদেহ আজি এখন পুষ্পসজ্জিত বাহনত লৈ ডিফু চহৰৰ মাজেৰে সমদল কৰি নিয়া হয়। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ সচিবালয় প্ৰাংগণত বিভিন্নজনে তেওঁৰ প্ৰতি শেষ শ্ৰদ্ধা নিবেদন কৰে।

০০০০০

সমাপ্ত